# সংখ্যা-শৃংখল

পংকজ জ্যোতি মহন্ত

## থিয়কৈ:

ক) ৯৮২১ তকৈ ডাঙৰ আটাইতকৈ সৰু সংখ্যাটো, যিটো সংখ্যাত ৯৮২১ ত থকা আটাইকেইটা অংক আছে।

ঙ) ২ ৰ ১৮ তম ঘাতটো ১৬-ভূমিৰ সংখ্যা-প্ৰণালীত প্ৰকাশ কৰিলে পোৱা ৰূপটো।

ছ) prime(prime(৬)) + prime(prime(৭))।

জ) আটাইতকৈ সৰু অৰ্ধমৌলিক $pq$ টো, যাৰ বাবে $p+$১ আৰু $q+$১ ও অৰ্ধমৌলিক।

ঝ) prime(৩) + ৩।

ঞ) যিকোনো মৌলিক সংখ্যা $p$ ৰ বাবে $p^৬$ মাত্ৰাৰ এবেলীয় সংঘৰ মুঠ সংখ্যা।

ঠ) ৩ × ৩ × ৩ ৰিউবিকৰ ঘণক (Rubik's cube) এটাত দেখা পোৱা সৰু আকৃতিৰ বৰ্গবোৰৰ মুঠ সংখ্যা।

ড) ১.১$^{৫০}$ অৰ কাষতে থকা অখণ্ড সংখ্যাটো।

ণ) পৰিসীমাটো ১০ আৰু বাহুবোৰৰ দৈৰ্ঘ্য স্বাভাৱিক সংখ্যা হোৱা ত্ৰিভুজৰ মুঠ সংখ্যা।

ত) আটাইতকৈ সৰু সংখ্যাটো, যাৰ কোনো গুণিতকৰ অংকবোৰৰ যোগফল ১০ হ'ব নোৱাৰে।

ধ) আটাইতকৈ সৰু সংখ্যাটো যাৰ অংককেইটাৰ পূৰণফলটো ৬$^৬$।




ফ) ২৯২০১ তকৈ ডাঙৰ আটাইতকৈ সৰু সংখ্যাটো, যিটো সংখ্যাত কেৱল ২৯২০১ ত থকা অংককেইটাই আছে।

## পথালিকৈ:

ক) আটাইকেইটা অংকৰে গঠিত আটাইতকৈ সৰু সংখ্যাটো।

খ) আটাইতকৈ সৰু মৌলিক সংখ্যাটো, যাৰ লগত ৬ যোগ কৰিলে পৰৱৰ্তী মৌলিকটো পোৱা যায়।

গ) পৰিসীমাটো ২৫ আৰু বাহুবোৰৰ দৈৰ্ঘ্য পৃথক পৃথক স্বাভাৱিক সংখ্যা হোৱা ত্ৰিভুজৰ মুঠ সংখ্যা।

ঘ) এইটো এটা ১০ × ১০ আকৃতিৰ সংখ্যা-শৃংখল। যদিহে ৪ × ৪ আকৃতিৰ সংখ্যা-শৃংখল এটা সজা হয়,

তেন্তে তাৰ পৰা পাব পৰা বৰ্গসমূহৰ কৰ্ণৰ মুঠ সংখ্যা।

ঙ) একমাত্ৰ সংখ্যা $n$ টো, যাৰ বাবে $\text{lcm}(n, d(n)) =$ ৮২, য'ত $d(n)$ মানে $n$ ৰ উৎপাদকৰ সংখ্যা।

চ) তিনিটা ক্ৰমিক মৌলিক সংখ্যাৰ যোগফল ৰূপে প্ৰকাশ কৰিব পৰা একমাত্ৰ যুগ্ম সংখ্যাটো।

ঞ) যিকোনো মৌলিক সংখ্যা $p$ ৰ বাবে $p^{৭}$ মাত্ৰাৰ এবেলীয় সংঘৰ মুঠ সংখ্যা।

ট) আটাইতকৈ সৰু $n$ টো, যাৰ বাবে $n!!$ ক $n+1$ ৰে হৰণ যায়।

ঢ) একাধিক অংকৰে গঠিত আটাইতকৈ সৰু সংখ্যাটো, যাক অষ্টক প্ৰণালীত প্ৰকাশ কৰিলে এটা পেলিনড্ৰম পোৱা যায়

থ) দুটা অংকৰে লিখিব পৰা আটাইতকৈ ডাঙৰ সংখ্যাটো যাক ওলোটা ক্ৰমত লিখিলে এটা মৌলিক পোৱা যায়।

দ) আটাইতকৈ সৰু সংখ্যা $n$ টো, যাতে কোনো সংখ্যাৰে অংকবোৰৰ পূৰণফল $n^n$ হ'ব নোৱাৰে।

ন) আটাইতকৈ সৰু মৌলিক সংখ্যাটো, যাৰ লগত ৮ যোগ কৰিলে পৰৱৰ্তী মৌলিকটো পোৱা যায়।

প) উত্তৰ মেৰুৰ অক্ষাংশটো (ডিগ্ৰীত)।

## যোৱা সংখ্যাৰ উত্তৰ

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ৪ | ০ | ৫ | | | ৪ | ০ | ৮ |
| ৩ | | ৮ | ৯ | ৯ | ৮ | | ২ |
| ২ | ৪ | ০ | | | ৮ | ৯ | ০ |
| | ২ | | ২ | ৭ | | ৮ | |
| | ৫ | | ৮ | ০ | | ৭ | |
| ৭ | ২ | ৩ | | | ১ | ৬ | ৯ |
| ১ | | ৮ | ৭ | ১ | ২ | | ০ |
| ৩ | ০ | ০ | | | ১ | ০ | ০ |

সংখ্যা-শৃংখলৰ বৰ্গসমূহ কাগজত অংকন কৰি নতুবা ইয়াৰ পৰা প্ৰিণ্ট উলিয়াই লৈ উত্তৰটো ফটো ৰূপে হোৱাট্ছএপ যোগে +918876538404 নম্বৰলৈ ০৩/০১/২০২৩ ৰ ভিতৰত প্ৰেৰণ কৰিবলৈ অনুৰোধ জনালোঁ। লগত নাম-শিক্ষা-বৃত্তি-ঠিকনা প্ৰেৰণ কৰিব। শুদ্ধ উত্তৰ দিওঁতাৰ পৰিচয় অহা সংখ্যাত প্ৰকাশ কৰা হ'ব।

## যোৱা সংখ্যাৰ 'স্কুলীয়া ছাত্ৰ-ছাত্ৰীলৈ আজৰি পৰৰ কাম'ৰ উত্তৰ

চিত্ৰত দেখুওৱা দৰে $a, b, c, d, e$ আৰু $f$ বৰ্গকেইটা চিহ্নিত কৰা হ'ল। এতিয়া, ছ আৰু a ৰ ওপৰত এখন টাইলছ পাৰি দিয়া হ'ল। তেতিয়া চ, b, ক, c, খ, ঙ, d অংশৰ মুঠ ৭ টা বৰ্গত কোনো ধৰণেই সম্পূৰ্ণকৈ টাইলছ লগাব পৰা নাযাব। গতিকে, ছ স্থানত এইদৰে টাইলছ লগাব নোৱাৰি। গতিকে a, f অৰ ওপৰত এখন টাইলছ দিবই লাগিব। কোঠালিটোৰ চাৰিওটা কোণ একে আৰ্হিত আছে, সেয়েহে a আৰু f অৰ দৰে বাকী তিনিওটা অংশত টাইলছ পাৰিব লাগিব। এতিয়া, ছ, চ, b, ক, c, খ, ঙ, d অংশত দুই ধৰণে টাইলছ লগাব পাৰি। সেইদৰে বাকী তিনিটা কোণতো হ'ব। মাজত থকা ঠ, ঞ, ট, e অংশত দুই ধৰণে পাৰি। গতিকে মুঠ ধৰণ = ২ × ২ × ২ × ২ × ২ = ৩২।

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ক | b | চ | | | ড | | দ |
| c | | ছ | a | f | | | |
| খ | ঙ | d | | | ঢ | থ | |
| | | | ঞ | ঠ | | | |
| | | | ট | e | | | |
| গ | | জ | | | ণ | | ধ |
| | | ঝ | | | | | |
| ঘ | | | | | ত | | |